# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 09-07-2025 **Time :** 1715Hrs.

## <u>Assamese Evening Bulletin</u>

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ শ্ৰমিক আৰু কৃষক বিৰোধী নীতি গ্ৰহণ কৰা বুলি অভিযোগ কৰি দেশৰ ১০টা শ্ৰমিক সংগঠনৰ উমৈহতীয়া মঞ্চই আজি আহ্বান জনোৱা ভাৰত বন্ধৰ প্ৰভাৱ অসমতো পৰিলক্ষিত হয়। আমাৰ বিভিন্ন জিলাৰ সংবাদদাতাই জনোৱা মতে বন্ধৰ ফলত উত্তৰ গুৱাহাটীৰ ৰন্ধন গেছৰ বটলিং প্লেণ্ট, দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অধীনস্থ তৈল প্ৰতিষ্ঠানসমূহ, নাজিৰাৰ তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ মুখ্য কাৰ্যালয়কে ধৰি বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ কাম-কাজ ব্যাহত হৈছে। নুমলীগড় শোধনাগাৰৰ কাম-কাজো আজি বন্ধৰ ফলত প্ৰভাৱিত হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। গুৱাহাটী মহানগৰীত আজি ব্যক্তিগত খণ্ডৰ চিটী বাছ আৰু দূৰণিবটীয়া বাছৰ চলাচল বন্ধ আছে। অৱশ্যে অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনস্থ গ্ৰীণ বাছ সেৱা আৰু সৰু বাণিজ্যিক বাহনসমূহ চলাচল কৰি আছে। বঙাইগাঁৱৰ বি আৰ পি এলৰ কাম-কাজ চলি আছে বুলি আমাৰ সংবাদদাতাই জনাইছে। শিলচৰত আজি শ্ৰমিক সংগঠনৰ প্ৰতিনিধিসকলে বিভিন্ন ঠাইত বন্ধৰ সমৰ্থনত পিকেটিং কৰে।

ধুবুৰী জিলাতো আজি এই বন্ধৰ ব্যাপক প্ৰভাৱ পৰিলক্ষিত হয়। জিলাখনত যান-বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰাৰ ফলত জনজীৱন ব্যাহত হৈ পৰে। ধুবুৰী চহৰৰ লগতে গৌৰীপুৰ, গোলকগঞ্জ আৰু বিলাসীপাৰা সমজিলাৰ সৰহ সংখ্যক বিত্তীয় প্ৰতিষ্ঠান, ডাকঘৰ আদি বন্ধ থকা পৰিলক্ষিত হয়। একাংশ ধৰ্মঘটকাৰীয়ে জিলাখনৰ বিভিন্ন পথ অৱৰোধ কৰি বন্ধ সফল কৰাৰ চেষ্টা চলায়। জিলাখনৰ প্ৰায়ভাগ চৰকাৰী কাৰ্যালয়তে কৰ্মচাৰীৰ উপস্থিতি সেৰেঙা হোৱা পৰিলক্ষিত হয়।

বৰপেটা জিলাত আজি বন্ধৰ প্ৰভাৱ দেখা যায়। ভাৰতীয় জীৱন বীমা নিগমৰ বৰপেটা শাখাই আজি ধৰ্মঘট পালন কৰে। ধৰ্মঘটকাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত শ্ৰম ক'ড বাতিল, ভাৰতীয় জীৱন বীমা নিগমৰ প্ৰিমিয়ামত জি এছ টি প্ৰত্যাহাৰকে ধৰি কেইবাটাও দাবী উত্থাপন কৰে। কামৰূপ জিলাতো আজি শতাধিক শ্ৰমিক আৰু কৃষকে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। ইয়াৰ ফলত জিলাখনত যান-বাহনৰ চলাচল বন্ধ হোৱাৰ লগতে জনজীৱন ব্যাহত হয়। গুৱাহাটী মহানগৰীত আজি বন্ধৰ আংশিক প্ৰভাৱ পৰিলক্ষিত হয়। ধৰ্মঘটৰ অন্যতম অংশীদাৰ অল ইণ্ডিয়া চেণ্ট্ৰেল কাউন্সিল অব ইউনিয়নছ আৰু ইউনাইটেড ৱৰ্কমেন ইউনিয়ন, ইণ্ডিয়া কাৰ্বন এমপ্লইজ এণ্ড লেবাৰ ইউনিয়নকে ধৰি কেইবাটাও শ্ৰমিক সংগঠনৰ ধৰ্মঘটৰ ফলত গুৱাহাটী শোধনাগাৰ, ইণ্ডিয়া কাৰ্বন প্ৰাইভেট লিমিটেড আৰু আছাম কাৰ্বন প্ৰাইভেট লিমিটেডৰ কাম-কাজ ব্যাহত হয়। গুৱাহাটীৰ খানাপাৰাতো কেইবাটাও শ্ৰমিক সংগঠনে আজি প্ৰতিবাদ সাব্যস্ত কৰে।

000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চিৰাঙৰ সদৰ কাজলগাঁৱত জিলা বিজেপিৰ নৱ নিৰ্মিত কাৰ্যালয় গৃহটো মুকলি কৰে। জিলা বিজেপিৰ কাৰ্যালয় মুকলি হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিৰ কাৰ্যকৰ্তা সন্মিলনত অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনত বিজেপিয়ে অকলে অৱতীৰ্ণ হ'ব। ইয়াৰ বাবে দলীয় কাৰ্যকৰ্তাসকলক সকলো বুথক শক্তিশালী কৰিবলৈ তেওঁ আহ্বান জনায়। তেওঁ কয়, যে চিৰাঙত বিগত সময়ছোৱাত ৩০ হাজাৰ লোক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হৈছে। এইবাৰ জিলাখনত ৬০ হাজাৰ হিতাধিকাৰী অৰুণোদয় আঁচনি লাভ কৰিব বুলি তেঁও প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিগত ৫ বছৰত বিটিআৰত শান্তিৰ বাতাবৰণ সৃষ্টি হোৱা বুলি উল্লেখ কৰে। আজিৰ কাৰ্যকৰ্তা সন্মিলনত অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে বিগত ৫ বছৰত বিটিআৰৰ উন্নয়ন হোৱা বুলি উল্লেখ কৰে। এই সন্মিলনত মন্ত্ৰী কৌশিক ৰায়, বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰামকৃষ্ণ ঘোষ উপস্থিত থাকে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনৰ প্ৰশাসনীয় মুৰব্বী বিষয়াসকলৰ সৈতে বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনি ৰূপায়ণৰ পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰে।

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত বিটিচি পৰিষদীয় নিৰ্বাচনক লৈ পৰ্যবেক্ষকসকলৰ সৈতে আলোচনাত মিলিত হয়। সভাপতি গগৈয়ে বৈঠকত পৰ্যবেক্ষকসকলৰ সৈতে বিটিআৰৰ ৪০ খন আসন সন্দৰ্ভত পুংখানুপুংখভাৱে পৰ্যালোচনা কৰে। আলোচনাৰ অন্তত সভাপতি গগৈয়ে সংবাদ মাধ্যমৰ আগত কয়, যে বিটিআৰৰ ৪০ খন আসনৰ বাবে ৭০-৮০ জনীয়া এখন পৰ্যবেক্ষকৰ তালিকা প্ৰস্তুত কৰা হৈছে। এই পৰ্যবেক্ষকসকলক তেওঁলোকৰ দায়িত্ব সন্দৰ্ভত আজি অৱগত কৰা হয় বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

দিশপুৰ আৰক্ষীয়ে মছজিদলৈ গাহৰি মাংস নিক্ষেপ কৰাৰ ঘটনাৰে জড়িতৰ অভিযোগত মৃদুপৱন পাঠক নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। চিচিটিভিৰ দৃশ্যৰ সহায়ত আৰক্ষীয়ে অভিযান চলাই বৰপেটাৰ পৰা যুৱকজনক গ্ৰেপ্তাৰ কৰি গুৱাহাটীলৈ লৈ আনে। যুৱকজনৰ স্কুটিখনো আৰক্ষীয়ে জব্দ কৰে।

০০০০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত আজিৰে পৰা অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ আৱাসিক কৰ্মশালা অনুষ্ঠিত হৈছে। কলাক্ষেত্ৰৰ চৌহদত অনুষ্ঠিত এই কৰ্মশালাত বিভিন্ন জনগোষ্ঠীৰ ১২০ গৰাকী যুৱ শিল্পীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত ১৮ গৰাকী সমল ব্যক্তিয়ে প্ৰশিক্ষণ প্ৰদান কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে এই কাৰ্যসূচীৰ তাৎপৰ্য ব্যাখ্যা কৰে। এই কৰ্মশালাত টাই খামিয়াং, ডালু, জেমি নগা আৰু ৰাংখল জনগোষ্ঠীৰ শিল্পীসকলে ভাগ লৈছে। আজিৰ কাৰ্যসূচীত মূলতঃ ৰাংখল আৰু ডালু জনগোষ্ঠী তথা টাই খামিয়াং আৰু জেমি নগা জনগোষ্ঠীৰ শিল্পীসকলে পৰস্পৰে পৰস্পৰৰ নৃত্যশৈলীৰ দীক্ষা গ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**